# Socio-cultural Assimilation in Northeast India and Southeast Asia












Jhanji Hemnath Sarma College
Jhanji, Sivasagar, Assam

ৰঙালী বিহুৰ পৰম্পৰা আৰু আধুনিকতা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
**✍ৰূপালী মুদৈ** /২০৮
সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ পৰিৱেশ্য কলা ঃ এটি চমু আলোচনা
**✍সবিতা শইকীয়া** /২১৪
গোৱালপৰীয়া সংস্কৃতিত 'কলগছ'ৰ ব্যৱহাৰিক দিশঃ এটি অধ্যয়ন
**✍সুনীল চন্দ্ৰ ৰায়** /২২২
অসমৰ সামাজিক লোকাচাৰত বিশ্বায়নৰ প্ৰভাৱ
**✍তনয় জ্যোতি দুৱৰা** /২২৬
অসমৰ কেওট সকল ঃ এটি চমু অধ্যয়ন
**✍তপন কুমাৰ শৰ্ম্মা** /২৩১
অসমৰ সাম্প্ৰতিক সময়ৰ সাংস্কৃতিক পৰিবেশ
**✍ৰীতামণি ভূঞা** /২৩৬
মাজুলীৰ সত্ৰানুষ্ঠানসমূহত পালন কৰা উৎসৱ-পাৰ্বনঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন
**✍উপেন চন্দ্ৰ দাস** /২৩৯
**Address List of Participants** /২৫৩

# অসম আৰু থাইলেণ্ডৰ সাংস্কৃতিক ঐক্য (হেম বৰুৱাৰ 'মেকং নৈ দেখিলো'ৰ 'টাইলেণ্ড'ৰ বিশেষ উল্লিখনেৰে)

শ্ৰীমতী সবিতা শইকীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
গোলাঘাট বাণিজ্য মহাবিদ্যালয়

দক্ষিণ পূৱ-এছিয়াৰ বৃহৎ টাই জাতিৰ লোকসকল বিভিন্ন সময়ত অসমলৈ আহিছিল। ত্ৰয়োদশ শতিকাত (১২২৮) চাও-ল্যুং-চ্যুকাফাৰ আগমনৰ পাছৰ পৰাই টাইসকলৰ বিভিন্ন ফৈদ অসমলৈ আহে। সেই সকলৰ ভিতৰত টাই খামতি, টাই ফাকে, টাই খাময়াং, টাই আয়তন, টাই টুৰুং আদিয়েই প্ৰধান। দক্ষিণ-পূব-এছিয়াৰ লগত উত্তৰ-পূব ভাৰতৰ বাণিজ্যিক, ধৰ্মীয় আৰু জনপ্ৰৱজনৰ জৰিয়তে সম্পৰ্ক ৰক্ষিত হয়। হেম বৰুৱাৰ 'মেকং নৈ দেখিলোঁ' দক্ষিণ-পূব এছিয়াৰ পাঁচখন দেশৰ ভ্ৰমণ বিষয়ক গ্ৰন্থ। গ্ৰন্থখনিয়ে থাইলেণ্ড (টাইলেণ্ড), লাউচ, কম্বোদিয়া, ছিংগাপুৰ, মালয়েচিয়াৰ সকলো প্ৰকাৰ যোগাযোগ উত্তৰ-পূব ভাৰতৰ লগত ৰজিতা খুৱাই বৰ্ণনা কৰিছে। লেখকৰ ভাষাত -

"....দক্ষিণ-পূৱ-এছিয়াৰ দেশসমূহ ৰঙীন। এইবোৰ দেশৰ পৰা জানিব লগা শিকিব লগা বহুতো আছে।"[১]

অসমীয়া সংস্কৃতিৰ বুৰঞ্জী জানিবলৈ হ'লে দক্ষিণ পূৱ এছিয়াৰ দেশসমূহ বিশেষকৈ থাইলেণ্ডৰ কথা জনাটো অত্যন্ত জৰুৰী। 'মেকং নৈ দেখিলো'ৰ 'জিলিকনি'ত গ্ৰন্থকাৰে উল্লেখ কৰিছে -

"....নিজকে আমি ডাঙৰ মানুহ বুলি ভাৱো, গতিকে এই ওচৰ-চুবুৰীয়া সৰু দেশবোৰৰ কথা চিন্তা কৰিবলৈ আমাৰ আহৰি নাই..........।"[২]

টাইসকল অসমৰ অৱিচ্ছেদ্য অংগ। অসমক বৰ অসম ৰূপে গঢ়ি তোলাত টাইসকলৰ বৰঙণি আটাইতকৈ বেছি। অসম নামৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি অসমীয়া সমাজ জীৱনৰ বৰঘৰ টাইসকলৰ উপজীব্যৰে ভৰপুৰ।